# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 24-07-2024 **Time :** 1845 Hrs.

## *Assamese Evening Bulletin*

## *Headlines*

১। ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেটত উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'লখণ্ডৰ উন্নয়নৰ বাবে ১০ হাজাৰ ৩৭৬ কোটি টকা আৱণ্টন দিয়া হৈছে বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ প্ৰকাশ।

১। সংসদৰ উভয় সদনত কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আলোচনা। কেন্দ্ৰীয় বাজেটত একাংশ ৰাজ্যৰ ক্ষেত্ৰত বৈষম্য হোৱা বুলি উত্থাপিত অভিযোগ কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ অস্বীকাৰ।

৩। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নতুন দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী, শক্তিমন্ত্ৰী আৰু পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰীৰে বৈঠকত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ আলোচনা।

**আৰু**

৪। মহিলা এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি মালয়েছিয়াৰ বিৰুদ্ধে বাংলাদেশৰ ১১৪ ৰানত জয়। আনখন খেলত শ্ৰীলংকা থাইলেণ্ডৰ মুখামুখি।

০০০০০০০০

ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে যে, এইবাৰৰ বাজেটত উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'লখণ্ডৰ উন্নয়নৰ বাবে ১০ হাজাৰ ৩৭৬ কোটি টকা আৱণ্টন দিয়া হৈছে। আজি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ জ্যেষ্ঠ বিষয়া আৰু সংবাদমাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত ৰে'ল মন্ত্ৰী বৈষ্ণৱে কয় যে, উত্তৰ-পূৰ্বাঞ্চলত ৭৪ হাজাৰ ৯৭২ কোটি টকা বিনিয়োগেৰে ১৮টা ৰে'লৱে প্ৰকল্পৰ কাম চলি আছে। তেওঁ কয় যে, যোৱা ১০ বছৰত উত্তৰ-পূৰ্বাঞ্চলত ৪৭০টা ৰে'লৱে আন্দাৰপাছ্ আৰু অভাৰব্ৰীজৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ লগতে ৬০টা ষ্টেচনৰ পুনঃউন্নয়ন কৰা হৈছে। কেন্দ্ৰই বৰ্তমানৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে পৰ্যাপ্ত ধন আৱণ্টন দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে কয় যে, এই বছৰৰ ডিচেম্বৰৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰে'লপথ বৈদ্যুতিকৰণ কৰা হ'ব। ইফালে ৰে'লৰ সুৰক্ষাৰ বিষয়টো উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, এই বিষয়টো চৰকাৰৰ সৰ্বোচ্চ অগ্ৰাধিকাৰৰ বিষয় আৰু যোৱা ১০ বছৰত ৰে'ল দুৰ্ঘটনাৰ সংখ্যা ৬০ শতাংশ হ্ৰাস পাইছে।

০০০০০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কেন্দ্ৰীয় বাজেটত একাংশ ৰাজ্যৰ ক্ষেত্ৰত বৈষম্য হোৱা বুলি উত্থাপিত অভিযোগ অস্বীকাৰ কৰিছে। ৰাজ্যসভাৰ শূন্যকালত আজি বিৰোধী দলসমূহে উত্থাপন কৰা অভিযোগৰ প্ৰত্যুত্তৰত তেওঁ ওলোটাই এই বুলি অভিযোগ কৰে যে বিৰোধী শাসিত ৰাজ্যসমূহলৈ একোৱেই দিয়া হোৱা নাই বুলি কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী পক্ষই অবিৰতভাৱে জনসাধাৰণক পতিয়ন নিওৱাৰ চেষ্টা কৰি আহিছে। তেওঁ এই কথা স্পষ্ট কৰি দিয়ে যে, প্ৰতিখন বাজেটত দেশৰ প্ৰত্যেকখন ৰাজ্যৰ নাম উল্লেখ কৰাৰ সুবিধা নাথাকে। কোনো এখন নিৰ্দিষ্ট ৰাজ্যৰ নাম বাজেটত উল্লেখ নকৰাটোৱে সেই ৰাজ্যখনক কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহে সামৰি নোলোৱাটোক নুবুজায় বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে কয় যে কেন্দ্ৰীয় মন্ত্ৰীসভাই মহাৰাষ্ট্ৰ আৰু পশ্চিমবংগৰ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ প্ৰতি অনুমোদন জনাইছে।

আজি পুৱা সদন মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই বিষয়টো উত্থাপন কৰি কেন্দ্ৰীয় বাজেটখনক চৰকাৰক ৰক্ষা কৰাৰ উপায় হিচাপে ব্যৱহাৰ কৰা বুলি অভিযোগ কৰে। বিৰোধী পক্ষই ইয়াৰ বিৰোধিতা কৰিব বুলি উল্লেখ কৰি তেওঁ, বাজেটখনত সমতা নাথাকিলে উন্নয়ন কেনেদৰে সম্ভৱ হ'ব বুলি প্ৰশ্ন উত্থাপন কৰে। বিষয়টোক লৈ বিত্তমন্ত্ৰীগৰাকীৰ প্ৰত্যুত্তৰৰ পাছত বিৰোধীদলসমূহে উচ্চ সদন ত্যাগ কৰে।

ইয়াৰ পূৰ্বে বিৰোধী সাংসদসকলৰ সদন স্থগিত ৰখাৰ জাননী নাকচ কৰি অধ্যক্ষ জগদীপ ধনখড়ে কয় যে এনে জাননী ব্যতিক্ৰমী পৰিস্থিতিত হে গ্ৰহণ কৰা হয়। বিগত ৩৬ বছৰৰ ভিতৰত ছবাৰহে এনে স্থগিতকৰণৰ জাননী গ্ৰহণ কৰা হৈছে বুলিও তেওঁ লগতে উল্লেখ কৰে।

আনহাতে, লোকসভাতো একেটা বিষয়ক লৈ বিৰোধীপক্ষই আজি সদন ত্যাগ কৰে। আজি পুৱা সদনৰ কাম-কাজ আৰম্ভ হোৱাৰ সময়তে কংগ্ৰেছ, সমাজবাদী পাৰ্টী, ডি এম কে, টি এম চি আৰু আন আন বিৰোধী দলসমূহৰ সদস্যসকলে থিয় হৈ অন্ধ্ৰপ্ৰদেশ আৰু বিহাৰৰ বাহিৰে আন ৰাজ্যসমূহৰ ক্ষেত্ৰত বৈষম্য হোৱা বুলি অভিযোগ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। অধ্যক্ষ ওম বিৰলাই সদনত বিৰোধী পক্ষৰ এনে আচৰণৰ বিৰুদ্ধে মত পোষণ কৰি, সদনৰ প্ৰশ্নকালৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰাৰ বাবে পৰিকল্পিতভাৱে কৰা এনে চেষ্টাক অযুক্তিকৰ বুলি আখ্যা দিয়ে। একেদৰে সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱেও বিৰোধী পক্ষৰ সাংসদসকলৰ আচৰণক লৈ প্ৰশ্ন উত্থাপন কৰে।

০০০০০০০

সংসদৰ উভয় সদনতে আজি ২০২৪-২৫ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। লোকসভাত এই আলোচনা আৰম্ভ কৰি কংগ্ৰেছ দলৰ সাংসদ কুমাৰী শ্বেলজাই কয় যে দেশত নিবনুৱা সমস্যা দিনকদিনে বৃদ্ধি পাইছে। তেওঁ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ বিভাগসমূহত খালী থকা পদসমূহ পূৰণ কৰাৰ কিয় ব্যৱস্থা লোৱা নাই বুলি প্ৰশ্ন উত্থাপন কৰে। তদুপৰি এইবাৰৰ বাজেটখনে কৃষক আৰু শ্ৰমিকসকলৰ প্ৰয়োজনক অৱজ্ঞা কৰিছে বুলিও তেওঁ মন্তব্য কৰে। আলোচনাত অংশগ্ৰহণ কৰি বিজেপিৰ বিপ্লৱ কুমাৰ দেৱে কয় যে ২০১৪ চনত বিজেপি শাসনলৈ অহাৰ সময়ত ভাৰত বিশ্বৰ অৰ্থনৈতিকভাৱে দুৰ্বল ৫ খন ৰাষ্ট্ৰৰ ভিতৰত এখন হিচাপে পৰিগণিত আছিল। তেওঁ কয় যে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে অৰ্থনৈতিক ব্যৱস্থাটো স্বচ্ছ কৰি তোলাৰ ফলত এইবাৰৰ অৰ্থনৈতিক জৰীপ অনুসৰি ২০২৪-২৫ বৰ্ষত দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ বিকাশৰ হাৰ ৬ দশমিক ৫ৰ পৰা ৭ শতাংশলৈ বৃদ্ধিৰ সম্ভাৱনাই দেখা দিছে। তদুপৰি যোৱাবছৰৰ বাজেটৰ তুলনাত এইবাৰৰ বাজেটত ১৮ শতাংশৰো অধিক মূলধনী ব্যয়ৰ প্ৰস্তাৱ দিয়া হৈছে বুলি তেওঁ মন্তব্য কৰে। সমাজবাদী প্ৰাৰ্টীৰ বীৰেন্দ্ৰ সিঙে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে বাজেটত উত্তৰ প্ৰদেশক অৱহেলা কৰিছে বুলি অভিযোগ তোলে। টি এম চিৰ সাংসদ অভিষেক বেনাৰ্জীয়ে নিবনুৱা সমস্যা, বিমুদ্ৰাকৰণৰ উপৰি কেন্দ্ৰীয় সংস্থাসমূহক বিৰোধী দলৰ নেতাৰ বিৰুদ্ধে অপব্যৱহাৰ কৰা বুলি অভিযোগ তোলে।

ৰাজ্যসভাতো আজি কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। আলোচনা আৰম্ভ কৰি কংগ্ৰেছৰ সাংসদ পি চিদাম্বৰমে নিবনুৱা সমস্যা আৰু মুদ্ৰাস্ফীতিৰ প্ৰসংগ উত্থাপন কৰে। তেওঁ কেন্দ্ৰীয় বাজেটত কৰ্ম সংস্থাপনৰ সৈতে জড়িত উদ্‌গনী আঁচনি ঘোষণা সন্দৰ্ভতো প্ৰশ্ন উত্থাপন কৰে। ইয়াৰ বিপৰীতে বিজেপিৰ ড০ ৰাধন মোহন দাস আগৰৱালে বিগত ১০ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ সাফল্যসমূহত আলোকপাত কৰে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা জন-ধন যোজনাই দেশৰ কোটি কোটি লোকক বেংক সেৱা প্ৰদান কৰিছে। তদুপৰি ১৪ কোটিৰো অধিক পৰিয়ালে নলযোগে ঘৰতে বিশুদ্ধ খোৱাপানী লাভ কৰিছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

অসমৰ বান আৰু খহনীয়া সমস্যাৰ বাবে ১ লাখ কোটি টকা আৰু দেশৰ সংখ্যালঘুসকলৰ কল্যাণৰ বাবে ৫ হাজাৰ কোটি টকা আবণ্টন দিবলৈ দাবী জনাই এ আই ইউ ডি এফৰ সভাপতি বদৰুদ্দিন আজমলে আজি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনলৈ পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰত আজমলে কয় যে বাজেট ভাষণত বান ব্যৱস্থাপনাৰ বাবে অসমক সাহায্য প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়া হৈছে যদিও কোনো ধনৰ পৰিমাণ বা পেকেজ ঘোষণা কৰা হোৱা নাই। তদুপৰি সংখ্যালঘুসকলৰ কল্যাণৰ বাবে উচিত ব্যৱস্থা ল'বলৈ তেওঁ দাবী জনায়।

০০০০০০০

উচ্চতম ন্যায়ালয়ে বিচাৰাধীন গোচৰসমূহ নিষ্পত্তিৰ বাবে অহা ২৯ জুলাইৰ পৰা ৩ আগষ্টলৈ লোক আদালতৰ আয়োজন কৰিছে। উচ্চতম ন্যায়ালয়ৰ প্ৰতিষ্ঠাৰ ৭৫ সংখ্যক বৰ্ষ পূৰণ হোৱা উপলক্ষে এই পদক্ষেপ লোৱা হৈছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে নাগৰিকসকলক সৰ্বোচ্চ ন্যায়ালয়ত বিচাৰাধীন নিজৰ গোচৰসমূহ নিষ্পত্তিৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

পৰহিৰেপৰা সন্ধানহীন হৈ থকা যশস্বী সংগীত পৰিচালক ৰমেন বৰুৱাৰ সন্ধানত আৰক্ষীয়ে ভিন্ন প্ৰান্তত অভিযান অব্যাহত ৰাখিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পিছফালৰ ব্ৰহ্মপুত্ৰত এছ ডি আৰ এফ আৰু এন ডি আৰ এফ বাহিনীয়ে শ্ৰীবৰুৱাৰ সন্ধানত অভিযান চলায়। অৱশ্যে এইপৰ্যন্ত সংগীত পৰিচালকগৰাকীৰ শুংসূত্ৰ ওলোৱা নাই। সংগীত পৰিচালকগৰাকীৰ সন্ধানত ব্যৱহাৰ কৰা স্নিফাৰ ডগে তেওঁৰ গতিবিধি নদীৰ পাৰলৈকে ধৰা পেলাইছে। অৱশ্যে তাৰ পৰা উভতি অহাৰ কোনো তথ্য পোৱা হোৱা নাই বুলি আৰক্ষী আয়ুক্ত দিগন্ত বৰাই প্ৰকাশ কৰিছে। তেওঁ কয় যে শ্ৰী বৰুৱা সন্ধানহীন হৈ থকা ঘটনাৰ আঁৰত কোনো বাহ্যিক কাৰক জড়িত নাই আৰু ব্যক্তিগত নাইবা পাৰিবাৰিক কাৰণতহে তেওঁ ওলাই যোৱাৰ তথ্য পোৱা গৈছে।

০০০০০০০

ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াই আজি বাক্সা জিলাৰ সদৰ মুছলপুৰত জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখনৰ কেইবাটাও বিভাগৰ শীৰ্ষ বিষয়াৰ সৈতে বৈঠকত মিলিত হয়। ৰাজ্যপালগৰাকীয়ে বিষয়াসকলৰ পৰা বিভাগীয় কাম-কাজৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে প্ৰয়োজনীয় পৰামৰ্শ প্ৰদান কৰে। বৈঠকৰ পাছত সাংবাদিকৰ আগত ৰাজ্যপালগৰাকীয়ে ৰাজ্যৰ স্বাস্থ্য আৰু শিক্ষা খণ্ড পূৰ্বতকৈ উন্নয়ন হোৱা বুলি মন্তব্য কৰে। আনহাতে, জলজীৱন মিছনৰ অধীনত চলি থকা বিশুদ্ধ খোৱাপানী যোগান প্ৰকল্পসমূহৰ সফল ৰূপায়ণ হোৱা বুলিও শ্ৰী কাটাৰিয়াই উল্লেখ কৰে। এই বৈঠকত ৰাজ্যপালগৰাকীৰ সৈতে মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম, বিটিআৰৰ অধ্যক্ষ কাটিৰাম বড়োৰ উপৰি কেইবাগৰাকীও বিষয়া উপস্থিত থাকে।

০০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধপান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। ৩ মাহজোৱা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০

দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহৰ বাবে মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া চলিত বৰ্ষৰ ১৫ ছেপ্তেম্বৰ পৰ্যন্ত মুকলি থাকিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এই সন্দৰ্ভত প্ৰকাশ কৰা মতে পদ্ম বঁটাৰ বাবে মনোনয়ন আৰু পৰামৰ্শসমূহ ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলত অনলাইন ব্যৱস্থাৰ জৰিয়তে গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে পদ্ম বিভূষণ, পদ্ম ভূষণ আৰু পদ্মশ্ৰী হিচাপে অভিহিত এই পদ্ম বঁটাসমূহ হ'ল - দেশৰ সৰ্বোচ্চ পৰ্যায়ৰ অসামৰিক সন্মান। ১৯৯৫ চনত প্ৰৱৰ্তন কৰা এই বঁটাসমূহ প্ৰতি বছৰে গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি ঘোষণা কৰা হয়। কলা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, ভেষজ, সামাজিক কৰ্ম, বাণিজ্য আৰু উদ্যোগ তথা বিজ্ঞান আৰু অভিযান্ত্ৰিক ক্ষেত্ৰলৈ আগবঢ়োৱা বিশিষ্ট তথা ব্যতিক্ৰমী সেৱাৰ প্ৰতি স্বীকৃতি প্ৰদানৰ উদ্দেশ্যে এই বঁটাসমূহ আগবঢ়োৱা হয়। উল্লেখযোগ্য যে চিকিৎসক আৰু বিজ্ঞানীসকলৰ বাহিৰে ৰাজহুৱা খণ্ডৰ অন্তৰ্গত প্ৰতিষ্ঠানত কৰ্মৰত লোকসকলকে ধৰি চৰকাৰী চাকৰিয়ালসকল এই বঁটাৰ বাবে মনোনীত নহয়।

ooooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে **বিকশিত ভাৰতৰ বাজেট** আগবঢ়োৱাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আন্তৰিক শলাগ জ্ঞাপন কৰে। বৈঠকত দুয়োগৰাকীয়ে আনকেতবোৰ গুৰুত্বপূৰ্ণ বিষয়ৰো আলোচনা কৰে। এই সম্পৰ্কত মুখ্যমন্ত্ৰী শৰ্মাই কয় যে, বিত্ত মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় বাজেটত ঘোষণা কৰা ধৰণে বান স্থিতিস্থাপক সবল অৰ্থনীতি গঢ়ি তোলাৰ বাবে ৰাজ্যখনলৈ সকলো ধৰণৰ সহায় সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। তদুপৰি ৰাজ্যত হাইড্ৰকাৰ্বন উদ্যোগৰ পৰা ৰয়েলটি সম্পৰ্কীয় সকলো বিষয় সোনকালে নিষ্পত্তি কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়াৰ কথাও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বৈঠকত মুখ্যমন্ত্ৰগৰাকীয়ে মূলধনী ব্যয়ৰ বাবে ৰাজ্যসমূহলৈ আগবঢ়োৱা বিশেষ সাহায্য আঁচনিৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰি এই আঁচনিখন অধিক শক্তিশালী কৰাৰ বাবে পৰামৰ্শ আগবঢ়ায়।

ইফালে মুখ্যমন্ত্ৰী শৰ্মাই কেন্দ্ৰীয় শক্তি, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মনোহৰলাল খট্টৰৰ সৈতে আন এখন বৈঠকত মিলিত হয়। এই বৈঠকত ৰাজ্যৰ সকলো অঞ্চলতে বিদ্যুতৰ উপলব্ধতা সুনিশ্চিত কৰা তথা গ্ৰাহক, বিতৰক আৰু উৎপাদকসকল উপকৃত হোৱাকৈ শক্তি খণ্ডৰ সংস্কাৰৰ দিশসমূহ আলোচনা কৰা হয়। আনহাতে বৈঠকত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ সমীপত ছেটেলাইট টাউনশ্বিপ স্থাপনৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰচেষ্টাক সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰী শৰ্মাই কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপিন্দৰ যাদৱক সাক্ষাৎ কৰি অসম চৰকাৰে ৰাজ্যত পৰিৱেশৰ ভাৰসাম্য ৰক্ষা আৰু বনাঞ্চল বৃদ্ধি কৰাৰ দিশত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে অৱগত কৰে। তদুপৰি জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ লাঘৱ কৰিবলৈ চৰকাৰে নতুনকৈ ঘোষণা কৰা মূল আঁচনিসমূহৰ দ্বাৰা ৰাজ্যখন কিদৰে লাভৱান হ'ব পাৰে সেই বিষয়েও আলোচনা কৰে।

oooooooo

যোৰহাট জিলা প্ৰশাসনৰ সহযোগত আৰু জিলাখনৰ অসামৰিক প্ৰতিৰক্ষা নিয়ন্ত্ৰকৰ উদ্যোগত আজিৰেপৰা মৰিয়নি মহাবিদ্যালয়ত অসামৰিক প্ৰতিৰক্ষা বিষয়ক প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই কাৰ্যসূচীত উদ্ধাৰ আৰু সাহায্য অভিযান, অগ্নিকাণ্ড আৰু জৰুৰীকালীন অৱস্থাত গ্ৰহণ কৰিবলগীয়া পদক্ষেপ, দুৰ্যোগ ব্যৱস্থাপনা আদি সম্পৰ্কে প্ৰশিক্ষণ দিয়া হয়। প্ৰশিক্ষণৰ পাছত ৩২ গৰাকী অসামৰিক প্ৰতিৰক্ষা স্বেচ্ছাসেৱকক বাছনি কৰি মানপত্ৰ প্ৰদান কৰে।

ooooooo

ৰাজ্যৰ কৃষি মন্ত্ৰী অতুল বৰাই আজি অসম চৰকাৰৰ কৃষি বিভাগৰ উদ্যোগত আৰু ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণৰ মন্ত্ৰালয়ৰ সহযোগত গুৱাহাটীত অনুষ্ঠিত ডিজিটেল ক্ৰ'প ছাৰ্ভে আৰু ফাৰমাৰ্ছ ৰেজেষ্ট্ৰী প্ৰশিক্ষণ তথা কৰ্মশালাৰ উদ্বোধন কৰে। দুদিনীয়া এই প্ৰশিক্ষণ শিবিৰত ৰাজ্যৰ ২৯ খন জিলাৰ ৬৪৯ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে কালি সদনত উত্থাপন কৰা ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত ডিজিটেল পাব্লিক ইনফ্ৰাষ্ট্ৰাকচাৰ সন্দৰ্ভত

অগ্ৰাধিকাৰ ভিত্তিক গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াৰ অধীনত অসমৰ লগতে অন্যান্য ৰাজ্যৰ মুঠ ৪০০ খন জিলাত ডিজিটেল ক্ৰ'প ছাৰ্ভেৰ কাম আৰম্ভ কৰাৰ বিষয়ে উল্লেখ কৰা হৈছে। এই উদ্বোধনী অনুষ্ঠানত ৰাজ্য তথা কেন্দ্ৰীয় কৃষি, ৰাজহ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

00000000

অসম গণ পৰিষদৰ দলৰ গুৱাহাটীৰ মুখ্য কাৰ্যালয়ত আজি দলৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত সমাগত উপ নিৰ্বাচন, পঞ্চায়ত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি সাংগঠনিক কাম-কাজ আৰু ভৱিষ্যৎ পৰিকল্পনা বিভিন্ন বিষয়ে আলোচনা কৰা হয়। তদুপৰি কাৰ্যনিৰ্বাহক সভাত তৃণমূল পৰ্যায়ত দলৰ সাংগঠনিক ভেঁটি সুদৃঢ় কৰাৰ বাবে ৰণকৌশল ৰচনাৰ বিভিন্ন দিশ সম্পৰ্কতো আলোচনা কৰা হয়। সভাত দলৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতিসকল, সাধাৰণ সম্পাদকসকল, ভাতৃ-ভগ্নী সংগঠন তথা জিলা সমিতিসমূহৰ সভাপতি আৰু সম্পাদকসকল উপস্থিত থাকে।

00000000

ৰাজ্যৰ কেইবাখনো জিলাৰ লগতে গোৱালপাৰা জিলাত জাপানীজ এনচেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ দেখা গৈছে। জিলাখনত এই পৰ্যন্ত ৯ জন লোক এই ৰোগত আক্ৰান্ত হৈছে। ইয়াৰে ৰংজুলিৰ মেল'পাৰাত নকুল কছাৰী নামৰ লোকজনৰ কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। আনহাতে, ৩ জন গোৱালপাৰা অসামৰিক চিকিৎসালয়ৰ আই চি ইউত আৰু এজন গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। বাকী কেইজন ক্ৰমাৎ সুস্থ হৈ উঠিছে বুলি জিলা স্বাস্থ্য বিভাগে জানিবলৈ দিছে। আনহাতে, জিলাখনত যাতে এই ৰোগ অধিক বিয়পিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনৰ লগতে স্বাস্থ্য বিভাগে তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে প্ৰকাশ কৰিছে।

0000000

গুৱাহাটীৰ বেলতলাৰ সৌৰভ নগৰ নিবাসী বিশিষ্ট সংগীত শিল্পী তথা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ শাস্ত্ৰীয় সংগীতৰ শিল্পী পুষ্প ৰঞ্জন দে'ৰ আজি পুৱতি নিশা দেহাৱসান ঘটে। বিগত কিছুদিন ধৰি অসুস্থ হৈ থকা দে'ৰ মৃত্যুৰ সময়ত বয়স আছিল ৭৯ বছৰ।

0000000

মহিলা এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি বাংলাদেশে মালয়েছিয়াৰ বিৰুদ্ধে ১১৪ ৰানত জয়লাভ কৰে। খেলখনত বাংলাদেশে নিৰ্ধাৰিত ২০ অভাৰত দুটা উইকেট হেৰুৱাই ১৯১ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে মালয়েছিয়াই ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ৭৭ ৰান সংগ্ৰহ কৰে।

ইফালে আজি খন্তেক সময়ৰ পাছতে অনুষ্ঠিত হ'বলগীয়া আনখন খেলত শ্ৰীলংকা থাইলেণ্ডৰ মুখামুখি হ'ব।

00000000

**সমাপ্ত**